**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 01-01-2026 **Time :** 1100 Hrs.
0000000000

ইংৰাজী ২০২৬ বৰ্ষৰ আজি পহিলা দিন। নতুন আশা আৰু সম্ভাৱনা লৈ সময়ৰ গণনাত পুনৰ এটা নতুন বছৰ আৰম্ভ হ'ল। পুৰণি বছৰটোৰে কঢ়িয়াই অনা সুখ-দুখ, প্ৰত্যাহ্বান অতিক্ৰমী জনসাধাৰণে নতুন বছৰত নিজক প্ৰতিপন্ন কৰাৰ বাবে চেষ্টা চলাব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো যোৱা মাজনিশা ঘড়ীত ১২ বজাৰ লগে লগে জনসাধাৰণে হৰ্ষোল্লাসেৰে নতুন বছৰটোক আদৰণি জনায়। বিভিন্ন ঠাইত শংখধবনি আৰু গীৰ্জাৰ ঘণ্টাৰে ইংৰাজী নতুন বছৰক আদৰণি জনোৱা হয়। নিশা বহু পৰলৈকে আতচবাজী আৰু জয়ধবনিৰে জনসাধাৰণে ইংৰাজী নতুন বছৰৰ আৰম্ভণিক উদযাপন কৰে।

নৱবৰ্ষ উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যখনৰ জনসাধাৰণক শুভেচ্ছা জনাইছে।

নৱবৰ্ষৰ আজি পহিলা দিনটোত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ মঠ-মন্দিৰ আৰু আন আন ধৰ্মীয় স্থানসমূহত ভক্তসকলে পুৱাৰে পৰা ভিৰ কৰা পৰিলক্ষিত হৈছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষ উপলক্ষে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ পহিলা দিনটোত বনভোজস্থলীসমূহতো পুৱাৰেপৰা জনসাধাৰণৰ সমাগম পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ সমীপৰ চন্দ্ৰপুৰ, ৰাণী, টেঘেৰিয়া, পানীখাইতি, হাতীশিলাকে ধৰি বিভিন্ন অঞ্চলত আজি পুৱাতেই বহুলোক বনভোজৰ আনন্দ উপভোগৰ বাবে সমবেত হৈছে।

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত আজিৰে পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে যোড়শ চানডুবি মহোৎসৱ অনুষ্ঠিত হৈছে।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কালিৰে পৰা ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে। এই উপলক্ষে কালি অসমৰ এখন নিভাঁজ গাঁৱক প্ৰতিফলিত কৰি প্ৰদৰ্শনী মুকলি কৰা হয়।

০০০০০০০

অসম আৰক্ষীয়ে বনভোজক লৈ কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি বনভোজলৈ যোৱা বাহন তীব্ৰ বেগত চলাব নোৱাৰিব আৰু বনভোজলৈ যোৱা বাহনৰ বৈধ নথি পত্ৰ থাকিব লাগিব। এনে বাহনৰ চালক সকলে সুৰাপান কৰিব নোৱাৰিব আৰু নিয়ম ভংগ কৰা চালক সকলৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। বনভোজস্থলীসমূহত গাড়ী ৰখোৱাৰ বাবে পৰ্যাপ্ত আছুতীয়া ঠাই থাকিব লাগিব আৰু সেই স্থানতহে বাহন ৰখাব পাৰিব। সূৰ্য্য উদয়ৰ পূৰ্বে আৰু সূৰ্য্যাস্তৰ পাচত বনভোজৰ বাহনৰ চলাচল নিষিদ্ধ হ'ব। স্থানীয় আৰক্ষীয়ে গ্ৰামাঞ্চলৰ বনভোজস্থলী সমূহত গাঁওৰক্ষী বাহিনী নিয়োগ কৰিব লাগিব। আৰক্ষী আৰু জৰুৰীকালীন সাহায্যৰ হেল্পলাইন নম্বৰ ১১২ আৰু চিকিৎসা জৰুৰীকালীন নম্বৰ ১০৮ৰ বিষয়ে বহলভাৱে প্ৰচাৰ চলাব লাগিব।

০০০০০০০

ইংৰাজী নৱবৰ্ষৰ লগে লগে মানস ৰাষ্ট্ৰীয় উদ্যানলৈ দেশী-বিদেশী পৰ্যটকৰ দল আগমন হোৱা পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে বিগত বৰ্ষসমূহতকৈ চলিত পৰ্যটন বৰ্ষত পৰ্যটকসকলে বিভিন্ন জীৱ-জন্তুৰ উপৰি সপ্তাহত তিনিবাৰ পৰ্যন্ত ৰয়েল বেংগল টাইগাৰ দেখাৰ সৌভাগ্য ঘটিছে। ইয়াৰ উপৰি মানস ৰাষ্ট্ৰীয় উদ্যানত পৰ্যটকসকলে লুপ্তপ্ৰায় পক্ষী ঊলুমৰা চৰাইৰ লগতে আন বিভিন্ন প্ৰকাৰৰ চৰাই আৰু গঁড়, হাতীৰ দীঘলীয়া জাক হৰিণা আদি দেখিবলৈ পাইছে।

০০০০০০০

সমাগত বিধানসভা নিৰ্বাচনত বিজেপিয়ে অসম গণ পৰিষদ, বি পি এফ আৰু ইউ পি পি এলৰ সৈতে মিত্ৰতা সন্দৰ্ভত শীঘ্ৰেই সিদ্ধান্ত গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয়, যে ইতিমধ্যে নিৰ্বাচন আয়োগে অহা ফেব্ৰুৱাৰীৰ শেষভাগত নাইবা মাৰ্চৰ প্ৰথম ভাগত নিৰ্বাচনৰ দিন ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয়, যে অগপৰ সৈতে মিত্ৰতা অব্যাহত থাকিব যদিও আসন সন্দৰ্ভত পূৰ্বৰ বুজাবুজিৰ ভিত্তিত সিদ্ধান্ত গ্ৰহণ কৰা হ'ব।

বাইট

০০০০০০০

আকাশবাণী গুৱাহাটীৰ শনিবাৰে নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত গ্ৰন্থবৰ্ষ, গ্ৰন্থৰ চাহিদা আৰু ভৱিষ্যত সম্পৰ্কত এটা আলোচনা প্ৰচাৰ কৰা হ'ব। এই আলোচনাত বিশিষ্ট প্ৰকাশক তথা অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড° সূৰ্যকান্ত হাজৰিকা আৰু লেখক, অনুবাদক মনস্বিনী মহন্তই অংশগ্ৰহণ কৰিব। অনুষ্ঠানটিৰ প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ আৰু আঁত ধৰিব অৰুণিমা গোস্বামীয়ে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত মৰিগাঁও জিলাৰ স্বাস্থ্যখণ্ডত ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ অৰুণ কুমাৰ নাথৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ মৰিগাঁও জিলাৰ সংবাদদাতা ডালিম ফুকনে। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

ডিব্ৰুগড় জিলাৰ চাবুৱাৰ সাংবাদিক ত্ৰৈলোক্য দাসৰ কালি আবেলি দেহাৱসান ঘটে। চাবুৱাৰ চেতিয়াপথাৰ গাঁৱৰ পৰা এটা ব্যক্তিগত ছেটেলাইট চেনেলত নিষ্ঠা সহকাৰে সংবাদসেৱা আগবঢ়াই অহা দাসৰ মৃত্যুৰ সময়ত বয়স হৈছিল ৪৯ বছৰ। বাতৰি সংগ্ৰহ কৰি থকা অৱস্থাত যোৱা সোমবাৰে তেওঁ উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাত তেওঁক ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। মৃত্যুৰ সময়ত দাসে পত্নী, এজন পুত্ৰৰ লগতে আত্মীয় স্বজনক এৰি থৈ যায়। তেঁওৰ মৃত্যুত চাবুৱা অঞ্চলত গভীৰ শোকৰ ছাঁ পৰিছে।

০০০০০০০

**সমাপ্ত**